# ভাৰতীয় হকীৰ শতবৰ্ষ উদযাপন

07 November 2025 05:31 pm

প্ৰতিদিন ক্ৰীড়া সংবাদ

নগাঁও, ৭ নৱেম্বৰঃ ভাৰতৰ ক্ৰীড়া ক্ষেত্ৰত আজি এক গৌৰৱৰ দিন। ভাৰতীয় হকীৰ শতবৰ্ষ পূৰ্তি হোৱাৰ বাবে ভাৰতৰ ক্ৰীড়া জগতৰ উল্লেখনীয় অৱদান বহন কৰিছে। শতবৰ্ষ গৰকা ভাৰতৰ ক্ৰীড়াক্ষেত্ৰৰ আজি সমগ্ৰ ভাৰতবৰ্ষত প্ৰায় ১৪০০ মেচ পুৱা ৮:৩০ বজাত একেলগে ৫৭০ জিলাত প্ৰায় ৬০০০০ গৰাকী প্ৰবীন আৰু নবীন (পুৰুষ-মহিলা) খেলুৱৈয়ে অংশগ্ৰহণ কৰে। নতুন দিল্লীৰ ধ্যানচান্দ হকী ষ্টেডিয়ামত কেন্দ্ৰীয় মন্ত্ৰী একাদশ  আৰু ভাৰতীয় হকী লেজেণ্ড একাদশৰ মাজত বন্ধুত্বমূলক প্ৰীতি মেচ অনুষ্ঠিত হয়।  সমগ্ৰ ভাৰতৰ লগতে আজি নগাঁও ক্ৰীড়া সংস্হাৰ উদ্যোগত অসম হকীৰ সহযোগত  নুৰুল আমিন ষ্টেডিয়ামতো পুৱা ৮:৩০ বজাত এশৰো অধিক প্ৰবীন আৰু নবীন খেলুৱৈৰে উভয় শাখাত চাৰিখন প্ৰীতি মেচ অনুষ্ঠিত হয়।  অসম হকীৰ সভাপতি তপন কুমাৰ দাস প্ৰমূখ্যে বিষয়ববীয়া সকল, নগাঁও ক্ৰীড়া সংস্হাৰ বিষয়ববীয়া সকল, জিলা ক্ৰীড়া বিষয়া প্ৰতীম বৰুৱাৰ উপস্থিতিত প্ৰমুখ্যে অতিথিৰূপে জিলা সহকাৰী আয়ুক্ত ধৰ্মৰাজ কলিতাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিবাৰ পিচত মেচবোৰ অনুষ্ঠিত হয়।